৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

১০ পৃষ্ঠাত



# অসম আদিত্য

শাওণ, ১৯৪৮ শক ■ মঙলবাৰ, ২১ জুলাই, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, July 21, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


পৰাও বহিষ্কাৰ কৰা বুলি জানিবলৈ দিয়াৰ লগতে এতিয়াৰ পৰা আছুৰ কোনোধৰণৰ কাম-কাজ কৰিব বুলি উল্লেখ কৰাৰ সমান্তৰালকৈ আছুৰ পেড বা চীল মোহৰ ব্যৱহাৰ নকৰিবলৈও সকীয়নি প্ৰদান কৰিছে অন্যথা স্বয়ম্ভু নেতাজনৰ বিৰুদ্ধে আইনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও সংগঠনটোৱে সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

## মৰাণত গায়ন-বায়নৰ প্ৰশিক্ষণ

বিশেষ প্ৰতিবেদক, মৰাণহাট, ২০ জুলাই ঃ উত্তৰ-পূব ভাৰতৰ অন্যতম ধৰ্মীয়, সাংস্কৃতিক সংগঠন শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চৰাইদেউ জিলাৰ সক্ৰিয় শাখা মৰাণৰ শ্যামকানু প্ৰাথমিক শাখাৰ উদ্যোগত যোৱা ৭জুলাইৰ পৰা আৰম্ভ হোৱা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অমূল্য সৃষ্টি

## সাহিত্য সভাৰ বিশ্বৰ কণ্ঠত কবিতা শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় কবিতানুষ্ঠান

ষ্টাফ ৰিপ'ৰ্টাৰ, ২০ জুলাইঃ অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ উদ্যোগত ২৬ জুলাইত ভাৰতীয় সময় সন্ধিয়া ৮ বজাৰ পৰা ৯ বজালৈ অনলাইন মাধ্যমত অনুষ্ঠিত হ'ব 'বিশ্বৰ কণ্ঠত কবিতা' (Voices of the World in Poetry) শীৰ্ষক এক ব্যতিক্ৰমী আন্তঃৰাষ্ট্ৰীয় অনলাইন কবিতানুষ্ঠান। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী, উপ-সভাপতি পদুম ৰাজখোৱা আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাও এই মননশীল কবিতানুষ্ঠানত উপস্থিত থাকিব। 'কবিতাই সীমান্ত অতিক্ৰম কৰি হৃদয়ক হৃদয়ৰ সৈতে সংযোগ ঘটায়' শীৰ্ষক বাণীক সাৰোগত কৰি আৰু বিশ্বব্যাপী সাহিত্যিক সম্প্ৰীতি, সাংস্কৃতিক আদান-প্ৰদান আৰু কবিতাৰ সাৰ্বজনীন শক্তিক উদ্‌যাপনৰ উদ্দেশ্যে আয়োজন কৰা এই অনুষ্ঠানত ভাৰত, বাংলাদেশ, নেপাল, শ্ৰীলংকা, কুৱেইট, ছুইজাৰলেণ্ড, যুক্তৰাষ্ট্ৰ আৰু যুক্তৰাজ্যৰ পৰা মুঠ ১৫ গৰাকী বিশিষ্ট কবি, সাহিত্যিকে অংশগ্ৰহণ কৰিব। অংশগ্ৰহণকাৰী কবিসকল হৈছে ক্ৰমে— ড০ সীমান্ত বৰুৱা (শিৱসাগৰ, অসম), আশ্ৰাফুল মুছাদ্দেক (বাংলাদেশ), জয়ন্ত চৌধুৰী (আমেৰিকা যুক্তৰাষ্ট্ৰ), ড০ লংকা ছিৰিৱৰ্ধনা (শ্ৰীলংকা), মালতী বৰদলৈ (ছুইজাৰলেণ্ড), আলোক দাস, (কুৱেইট), মনোৰমা দাস (আমেৰিকা যুক্তৰাষ্ট্ৰ), সন্তোষ কুমাৰ পোখাৰেল (কাঠমাণ্ডু, নেপাল), নিৰুলা বৰুৱা (যুক্তৰাজ্য শাখা সাহিত্য সভা), মঞ্জিৰা চৌধুৰী (যুক্তৰাজ্য শাখা সাহিত্য সভা), ড০ সিন্ধুৰ বাৰকুৰ (হায়দৰাবাদ), ড০ পাৰমিতা মুখাৰ্জী মল্লিক (মুম্বাই), সদানন্দ গগৈ (মুম্বাই), হৰিন্দৰ সিং (হায়দৰাবাদ) আৰু ভাৰতী হাজৰিকা (গুৱাহাটী)। অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানটোৰ সফল ৰূপায়ণৰ বাবে অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক ড০ শশীকান্ত শইকীয়া আৰু কাৰ্যকৰী সভাপতি ৰুমা হাজৰিকাই সকলো দিশ সুপৰিকল্পিতভাৱে আগবঢ়াই নিয়াৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। অনুষ্ঠানটো অসমীয়া মুখ্য ভাষা হিচাপে দ্বিভাষিক 'অসমীয়া—ইংৰাজী' ৰূপত সঞ্চালনা আৰু পৰিচালনা কৰিব মুম্বাই নিৱাসী বিশিষ্ট যোগাযোগ দক্ষতা প্ৰশিক্ষক, কণ্ঠশিল্পী, লেখক, অনুবাদক, সম্পাদক আৰু মিডিয়া ব্যক্তিত্ব দেৱজিৎ শইকীয়াই। উল্লেখ্য যে তেওঁৰ ইংৰাজী ভাষা, যোগাযোগ দক্ষতা আৰু গণমাধ্যমৰ ক্ষেত্ৰত তিনি দশকৰো অধিক অভিজ্ঞতা আছে। তেওঁ 'জেভিয়াৰ ইনষ্টিটিউট অব কমিউনিকেশ্যন, মুম্বাই'-ত অধ্যাপনা কৰাৰ লগতে 'অল ইণ্ডিয়া ৰেডিঅ'-ৰ সংবাদ পাঠক-অনুবাদক, 'পেংগুইন ৰেণ্ডম হাউচ'-ৰ অডিঅ' বুক কণ্ঠশিল্পী আৰু একাধিক গ্ৰন্থৰ লেখক হিচাপেও সুপৰিচিত। উল্লেখ্য যে অনুষ্ঠানত ইংলেণ্ড নিৱাসী ড০ জগন্নাথ বিশ্বকৰ্মাৰ এটি সুন্দৰ কবিতাও পাঠ কৰিব সঞ্চালক দেৱজিৎ শইকীয়াই। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ বিষয়ববীয়া, দেশ-বিদেশৰ সাহিত্যপ্ৰেমী, কবি, লেখক, গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু বিভিন্ন সাহিত্য-সাংস্কৃতিক সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকিব।

বিশেষ শাৰীৰত অংশগ্ৰহণকাৰীসকল
বৃদ্ধি আৰু ক্ৰীড়া প্ৰদৰ্শনৰ উৎকৰ্ষ সা
কৰা হয়। এই ফলপ্ৰসূ কাৰ্যসূচীক
সপ্তাহ প্ৰশিক্ষক ত্ৰিবেণী ভট্টাচাৰ্যৰ

## সুৰজিতা স

ডিব্ৰুগড়, ২০ জুলাইঃ সাম্প্ৰতিক অস
জগতৰ এগৰাকী সক্ৰিয় তথা পৰিচি
ডিব্ৰুগড়ৰ সুৰজিতা সন্দিকৈ গগৈ
মূল্যবান আৰু ব্যতিক্ৰমী গ্ৰন্থ
আড়ম্বৰপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা
সুন্দৰপুৰস্থিত সামাজিক-সাংস্কৃতিক
সংস্থা সম্প্ৰীতিৰ কাৰ্যালয়ত এই
সভাখন অনুষ্ঠিত হয়। অসমৰ পুৰোধা
জীৱন দৰ্শন, আদৰ্শ, সাক্ষাৎ, অনুভৱ
সামৰি ৰচিত লেখিকাৰ প্ৰথমখন গ্ৰন্থ
উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যা
প্ৰাধ্যাপক, প্ৰসিদ্ধ ভাষাবিদ তথা সা
ভীমকান্ত বৰুৱাই। গ্ৰন্থখন উন্মোচন ক
বিশেষ সন্তোষ প্ৰকাশ কৰাৰ লগ
লেখিকাই সান্নিধ্য লাভ কৰা ২৫
লেখক-প্ৰাজ্ঞৰ অনুভৱ ইয়াত সুন্দৰ
ভাষাৰে লিপিবদ্ধ হৈছে। পঢ়ুৱৈয়ে
পঢ়ি শেষ কৰিব পৰা এই আমোদ
ভৱিষ্যতে নতুন প্ৰজন্মক গ্ৰন্থ ৰচনাৰ